জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৮/২০২৩**

# নগাঁও আৰু নলবাৰী চিকিৎসা মহাবিদ্যালয় তথা হাস্পতাল পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

## চলিত বৰ্ষতে কোকৰাঝাৰ, নগাঁও আৰু নলবাৰীত নৱনিৰ্মিত চিকিৎসা মহাবিদ্যালয় কাৰ্যক্ষম কৰাৰ প্ৰচেষ্টা চলাইছে ৰাজ্য চৰকাৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নৱনিৰ্মিত নগাঁও চিকিৎসা মহাবিদ্যালয় তথা হাস্পতাল আৰু নলবাৰী চিকিৎসা মহাবিদ্যালয় তথা হাস্পতাল পৰিদৰ্শন কৰি নেশ্যনেল মেডিকেল কাউঞ্চিলৰ পৰিদৰ্শনকাৰী দলৰ আগমনৰ পূৰ্বে চিকিৎসা মহাবিদ্যালয় হাস্পতাল দুখনত যাবতীয় প্ৰস্তুতিৰ বুজ লয়।

মুখ্যমন্ত্ৰীয়ে আজি পুৱা প্ৰথমে নগাঁও চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত উপস্থিত হৈ নৱনিৰ্মিত চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালখনৰ আন্তঃবিভাগ , বহিঃবিভাগৰ উপৰি নিৰ্মাণ সম্পুৰ্ণ হোৱা ভৱনসমূহ পৰিদৰ্শন কৰি চাক্ষুষ বুজ লয় ।এই পৰিদৰ্শনৰ পিচতে তেওঁ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালখনৰ ফেকাল্টি সদস্যসকলৰ সৈতেও তেওঁ মহাবিদ্যালয়খনৰ বিভিন্ন দিশ সন্দৰ্ভত এখন বৈঠকত মিলিত হয় ।

ইয়াৰ পিছত মুখ্যমন্ত্ৰীয়ে উপস্থিত সংবাদ মাধ্যমৰ সদস্য সকলক কয় যে ৰাজ্য চৰকাৰে চলিত বছৰৰ ভিতৰতে কোকৰাঝাৰ, নগাঁও আৰু নলবাৰী চিকিৎসা মহাবিদ্যালয় কাৰ্যক্ষম কৰাৰ প্ৰচেষ্টা চলাইছে। নেশ্যনেল মেডিকেল কাউন্সিলৰ পৰিদৰ্শনকাৰী দলে কালি ইতিমধ্যে কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় পৰিদৰ্শন কৰিছে বুলি সদৰি কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আগন্তুক যি কোনা সময়তে নগাঁও চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালখনো কাউন্সিলৰ পৰিদৰ্শনকাৰী দলে পৰিদৰ্শন কৰাৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰীয়ে কয় যে নগাঁও চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ ফেকাল্টি সদস্যসকলৰ সৈতে তেওঁ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰি যিবোৰ দিশ উন্নত কৰাৰ প্ৰয়োজন আছে সেইখিনি যথাসম্ভৱ শীঘ্ৰে উন্নত কৰাৰ বাবেও তেওঁ পৰামৰ্শ দাঙি ধৰিছে আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ আৰু জিলা প্ৰশাসনে এই সম্বন্ধীয় যাৱতীয় কাম-কাজ সম্পাদন কৰিব।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কাইলৈৰ পৰা সমগ্ৰ ৰাজ্যতে বাল্য বিবাহত আবদ্ধ হোৱা ব্যক্তিৰ বিৰুদ্ধে অভিযান আৰম্ভ হ'ব বুলিও সংবাদ মাধ্যমৰ আগত সদৰী কৰে। তেওঁ কয় যে অসম আৰক্ষীয়ে কাইলৈৰ পৰা এই অভিযান আৰম্ভ কৰি পূৰ্বে বাল্য বিবাহ কৰা নতুবা শেহতীয়াকৈ এনে বিবাহত আবদ্ধ হোৱা ব্যক্তিক গ্ৰেপ্তাৰ কৰিব। যিসকল ব্যক্তিয়ে ১৪ বছৰ বয়সৰ তলৰ কন্যাক বিবাহ কৰাইছে তেনে ব্যক্তিক

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

প'ছকো আইনৰ অধীনত বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে।

এই পৰিদৰ্শন কালত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী, শশীকান্ত দাস, চিকিৎসা শিক্ষা সঞ্চালকালয়ৰ সঞ্চালক ডাঃ অনুপ বৰ্মন, অতিৰিক্ত সঞ্চালক ডাঃ মনোজ চৌধুৰী আৰু নগাঁও চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ অধ্যক্ষ তথা মুখ্য অধীক্ষক ডাঃ শিল্পীৰাণী বৰ্মন উপস্থিত থাকে।

ইয়াৰ পিছত মুখ্যমন্ত্ৰী ড° শৰ্মাই নলবাৰীৰ চিকিৎসা মহাবিদ্যালয় তথা হাস্পতাল পৰিদৰ্শন কৰি চিকিৎসা মহাবিদ্যালয়খনৰ শৈক্ষিক সা-সুবিধাকে ধৰি বিভিন্ন দিশৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে কয় যে নলবাৰী চিকিৎসা মহাবিদ্যালয় তথা হাস্পতালখন নেশ্যনেল মেডিকেল কাউন্সিলৰ পৰিদৰ্শনৰ বাবে সাজু হৈ উঠিছে। চিকিৎসালয়খনৰ ফেকাল্টি সদস্য তথা অন্যান্যসকলৰ সৈতে মত-বিনিময় কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰতিগৰাকীকে নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ বাবে আহ্বান জনায় যাতে চিকিৎসা মহাবিদ্যালয়খনে নেশ্যনেল মেডিকেল কাউন্সিলৰ স্বৰ্তাৱলী পূৰণ কৰিব পাৰে। তেওঁ লগতে কয় যে উন্নত ৰাজহুৱা স্বাস্থ্য আন্তঃগাঁথনি সৃষ্টিৰ লগতে শিক্ষাৰ্থীক মান বিশিষ্ট চিকিৎসা সেৱা প্ৰদানৰ দিশত ৰাজ্য চৰকাৰে যথেষ্ট গুৰুত্ব আৰোপ কৰিছে আৰু ৰাজ্যখনত একাধিক চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল স্থাপনৰ বাবে নিষ্ঠা সহকাৰে কৰ্মত ব্ৰতী হৈ আছে।

মুখ্যমন্ত্ৰীৰ এই নলবাৰী চিকিৎসা মহাবিদ্যালয় তথা হাস্পতাল পৰিদৰ্শনকালত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত আৰু জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ উপৰি চিকিৎসা শিক্ষা সঞ্চালকালয়ৰ সঞ্চালক ডাঃ অনুপ বৰ্মন, নলবাৰী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ অধ্যক্ষ ডাঃ যোগেশ শৰ্মাকে ধৰি বহু সংখ্যক ব্যক্তি উপস্থিত থাকে।

**নিঃকুঃদাঃ / সুঃদঃ**
**০২/২/২০২৩**